**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উত্তৰাখণ্ড ৰাজ্যিক বিধানসভাৰ বিশেষ অধিৱেশনত ভাষণ দিয়ে।

২। ভাৰত সম্প্ৰতি কেৱল প্ৰযুক্তিৰ গ্ৰাহক নহয়, বৰং প্ৰযুক্তিগত ৰূপান্তৰৰ হোতা হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। তেলেংগানাৰ ৰংগাৰেড্ডী জিলাৰ ছেভেলাৰ সমীপৰ মিৰ্জাগুড়া খানাপুৰ পথত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ১৯ জন লোকৰ মৃত্যু হয়।

৪। আফগানিস্তানৰ উত্তৰ অঞ্চলত যোৱানিশা হোৱা এটা ভূমিকম্পৰ ফলত দহজন লোকৰ মৃত্যু হোৱাৰ উপৰি কমেও ২৬০ জন লোক আহত হয়।

আৰু

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এদিনীয়া বিশ্বকাপ ক্ৰিকেটত চেম্পিয়ন হোৱাৰ বাবে ভাৰতীয় মহিলা ক্ৰিকেট দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উত্তৰাখণ্ড ৰাজ্যিক বিধানসভাৰ বিশেষ অধিৱেশনত ভাষণ দিয়ে। সৰ্বাত্মক বিকাশৰ হকে চলোৱা বিভিন্ন প্ৰয়াসৰ জৰিয়তে ৰাজ্যখনত মানৱীয় বিকাশ ত্বৰান্বিত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্যখনত সাক্ষৰতাৰ হাৰ উন্নত হোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয়, যে ৰাজ্যখনত মহিলাৰ শিক্ষাৰ পৰিসৰ সম্প্ৰসাৰিত হৈছে। তেওঁ লগতে কয়, যে উত্তৰাখণ্ডত মাতৃ তথা নৱজাতক শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস হোৱাৰ লগতে স্বাস্থ্য সেৱাৰ সুবিধা অধিক সুলভ কৰি তুলিবলৈ চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে উত্তৰাখণ্ডৰ পৱিত্ৰ ভূমিৰ পৰা আধ্যাত্মিকতাৰ পৰম্পৰা অবিৰতভাৱে প্ৰৱাহিত হৈ আছে। এই পৱিত্ৰ ভূমিখণ্ডত বহু ঋষি-মুনিয়ে বাস কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰে। কুমাওন আৰু গৰ্বাল ৰেজিমেণ্টৰ জৰিয়তে ৰাজ্যখনৰ সাহসৰ ঐতিহ্য প্ৰতিফলিত হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। ৰাজ্যখনৰ যুৱচামে দেশৰ সেনা বাহিনীত সেৱা আগবঢ়োৱাৰ জৰিয়তে দেশমাতৃৰ সেৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ কেইবাগৰাকীও জন প্ৰতিনিধিয়ে দেশৰ গণতান্ত্ৰিক পৰম্পৰা শক্তিশালী কৰাৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ বৰঙণি যোগাইছে।

০০০০০০০০০

ভাৰত সম্প্ৰতি কেৱল প্ৰযুক্তিৰ গ্ৰাহক হৈ থকা নাই বৰং, প্ৰযুক্তিগত ৰূপান্তৰৰ হোতা হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ বিকাশ ক্ৰমাৎ ঊৰ্ধগামী হৈছে। কেন্দ্ৰীয় চৰকাৰে দেশত উদ্ভাৱনৰ ক্ষেত্ৰত অত্যাধুনিক ব্যৱস্থা বিকশাই তোলাৰ বাবে গৱেষণা ক্ষেত্ৰৰ সুচলতাত গুৰুত্ব আৰোপ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। তেওঁ কয়, যে ভাৰতত সম্প্ৰতি বিশ্বৰ ভিতৰতে সবাতোকৈ সফল ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দেশৰ গৱেষণা আৰু উন্নয়নৰ বাতাবৰণ অধিক বিকশিত কৰি তোলাৰ উদ্দেশ্যে ১ লাখ কোটি টকাৰ গৱেষণা, উন্নয়ন আৰু উদ্ভাৱন আঁচনি পুঁজি মুকলি কৰে। এই সন্মিলনৰ অহা ৫ নৱেম্বৰত সামৰণি পৰিব। ESTIC-2025-ৰ জৰিয়তে শৈক্ষিক, গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আৰু চৰকাৰৰ তৰফৰ পৰা ৩ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাব। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোচনাচক্ৰ, প্ৰযুক্তি প্ৰদৰ্শন, প্ৰকল্প ব্যাখ্যা আদি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এনে পদক্ষেপৰ জৰিয়তে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ বাতাবৰণ ত্বৰান্বিত কৰাৰ

উদ্দেশ্যে গৱেষক, উদ্যোগ খণ্ড তথা যুৱ উদ্ভাৱকসকলৰ মাজত পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ বাবে এখন মঞ্চ সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা হৈছে।

oooooooooooo

তেলেংগানাৰ ৰংগাৰেড্ডী জিলাৰ ছেভেলাৰ সমীপৰ মিৰ্জাগুড়া খানাপুৰ পথত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ১৯ জন লোকৰ মৃত্যু হয়। আজি পুৱা ৮ বজাত সেই পথেৰে অহা এখন ট্ৰাকে এখন দুচকীয়া বাহনক অতিক্ৰম কৰিবলৈ চেষ্টা কৰোতে এখন যাত্ৰীবাহী বাছক প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। স্থানীয় আৰক্ষীৰ জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে এই ঘটনাত ১৯ জন নিহত হোৱাৰ লগতে আহত ২০ জনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৰাজ্য চৰকাৰে হায়দৰাবাদত আহতসকলৰ পৰিয়ালৰ লোকৰ সহায় হোৱাকৈ তথ্য বিনিময়ৰ বাবে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে সংশ্লিষ্ট বিষয়াসকলক চিকিৎসাৰ সাহায্য প্ৰদানৰ বাবে বিশেষ চিকিৎসা প্ৰদানকাৰী দল ঘটনাস্থলীলৈ প্ৰেৰণৰ নিৰ্দেশ দিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পথ দুৰ্ঘটনাত নিহত লোকসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই দুৰ্ঘটনা দুৰ্ভাগ্যজনক বুলি প্ৰকাশ কৰি আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। উপ-ৰাষ্ট্ৰপতি শ্ৰী ৰাধাকৃষ্ণণেও এই ঘটনাত গভীৰ উদ্বেগ ব্যক্ত কৰি ঘটনাৰ বলি হোৱাসকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিহতসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাঁহাৰি নিধিৰ পৰা ২ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। ইয়াৰ লগতে আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰা হৈছে।

oooooooooo

আফগানিস্তানৰ উত্তৰ অঞ্চলত যোৱানিশা হোৱা এটা ভূমিকম্পৰ ফলত দহজন লোকৰ মৃত্যু হোৱাৰ উপৰি কমেও ২৬০ জন লোক আহত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৬ দশমিক ৩। আফগানিস্তানৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি পুৱতি নিশাৰ ভাগত দেশখনৰ উত্তৰ-পশ্চিম, মধ্য, পশ্চিম, উত্তৰ-পূব আৰু পূব অঞ্চলত এই ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়। ভূমিকম্পৰ অভিকেন্দ্ৰ মাজাৰ-ই-শ্বৰীফ মহানগৰীৰ সমীপৰ খ'ল্মত বুলি কোৱা হৈছে আৰু এই অঞ্চলতে ব্যাপক ক্ষয়-ক্ষতি হৈছে। ভাৰতৰ ৰাষ্ট্ৰীয় ভূ-কম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে, এই ভূমিকম্পৰ উৎস ভূগৰ্ভৰ পৰা ২৩ কিলোমিটাৰ গভীৰত। উজবেকিস্তান, তাজিকিস্তান আৰু পাকিস্তানতো ভূমিকম্পৰ মৃদু জোঁকাৰণি অনুভূত হয়। উল্লেখযোগ্য যে এই বছৰৰ ৩১ আগষ্টত আফগানিস্তানৰ পূব অঞ্চলৰ পাকিস্তানৰ সমীপত হোৱা এটা ভূমিকম্পত দুহেজাৰৰো অধিক লোক নিহত হৈছিল।

oooooooooo

নৱী মুম্বাইৰ ড° ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীত যোৱা নিশা অনুষ্ঠিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাজিত কৰি মহিলা বিশ্বকাপত প্ৰথমটো খিতাপ জয় কৰে। দক্ষিণ আফ্ৰিকাই ২৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। লওৰা উলভাৰ্টে সৰ্বাধিক ১০১ ৰান কৰে। ভাৰতৰ দিপ্তী শৰ্মাই ৫টা আৰু শেফালী বাৰ্মাই দুটা উইকেট দখল কৰে। বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৯৮ ৰান সংগ্ৰহ কৰে। শেফালী বাৰ্মাই সৰ্বাধিক ৮৭ আৰু দিপ্তী শৰ্মাই ৫৮ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ আয়াবোংগা খাকাই তিনিটা উইকেট লাভ কৰে। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। বিশ্বকাপ জয়ী দলটোৰ অন্যতম সদস্য আছিল অসমৰ উমা চেত্ৰীও।

উল্লেখযোগ্য যে ভাৰতে ইয়াৰ পূৰ্বে ২০০5 আৰু ২০১৭ চনত অনুষ্ঠিত বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এদিনীয়া বিশ্বকাপ ক্ৰিকেটত চেম্পিয়ন হোৱাৰ বাবে ভাৰতীয় মহিলা ক্ৰিকেট দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে সমগ্ৰ দেশে আজি এই বিজয়ত গৌৰৱ অনুভৱ কৰিছে।

বাইট

০০০০০০০

তামিলনাডুত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী অত্যন্ত প্ৰয়োজনীয় বুলি তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° এল মুৰুগানে মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যখনত আজিৰেপৰা এই প্ৰক্ৰিয়া ৰূপায়ণ কৰা হৈছে। চেন্নাইত সাংবাদিকৰ আগত ড° মুৰুগানে কয়, যে এই সংশোধনীৰ ফলত ভোটাৰ তালিকাৰ পৰা মৃত ব্যক্তিসকলৰ নাম আঁতৰ কৰা, দুঠাইত নাম থকা ভোটদাতাসকলৰ এঠাইত নাম কৰ্তন কৰাকে ধৰি বিভিন্ন ত্ৰুটী আঁতৰ কৰিব পৰা যাব। তেওঁ কয়, যে বিহাৰত এনে সংশোধনী ছয় লাখৰো অধিক অতিৰিক্ত আৰু ভুৱা ভোটদাতা চিনাক্ত কৰা হৈছে। এই ব্যৱস্থাক আদৰণি জনাই মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰতিগৰাকী ভোটদাতাই নিজৰ অধিকাৰ নিষ্ঠাৰে সাব্যস্ত কৰা উচিত।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি বাহৰেইনৰ বিদেশ মন্ত্ৰী আব্দুল লতিফ বিন ৰচিদ আলজায়ানিক নতুন দিল্লীত আদৰণি জনায়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড° জয়শংকৰে পঞ্চম ভাৰত-বাহৰেইন উচ্চ যুটীয়া আয়োগ বৈঠক সাফল্যমণ্ডিত হ'ব বুলি আশা প্ৰকাশ কৰে। বাহৰেইনৰ বিদেশ মন্ত্ৰীগৰাকী তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে দুয়োগৰাকী নেতাই পঞ্চম ভাৰত-বাহৰেইন উচ্চ যুটীয়া আয়োগৰ বৈঠকত সহ অধ্যক্ষতা কৰিব। এই ভ্ৰমণে ভাৰত-বাহৰেইনৰ মিত্ৰতাত ইতিবাচক প্ৰভাৱ পেলাব বুলিও মন্ত্ৰালয়ে আশা প্ৰকাশ কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে টাইৱান আক্ৰমণৰ পৰিণাম সন্দৰ্ভত চীনৰ ৰাষ্ট্ৰপতি ঝি-জিনপিং ভালদৰে অৱগত বুলি মন্তব্য কৰিছে।

চীনৰ ৰাষ্ট্ৰপতিৰ সৈতে হোৱা বৈঠকৰ অন্তত এটা সাক্ষাৎকাৰত ট্ৰাম্পে কয়, যে বৈঠকত টাইৱান সম্পৰ্কে কোনো আলোচনা হোৱা নাই। চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং এই আক্ৰমণৰ সম্ভাব্য পৰিণাম সম্পৰ্কে ভালদৰে অৱগত বুলি উল্লেখ কৰি তেওঁ কয়, যে তেওঁৰ কাৰ্যকালত বেইজিঙে টাইৱান বিৰোধী কোনো কাম কৰা নাই। ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেক্ৰেটাৰী অব্ ৱাৰ পিট হেগচেথে যোৱা ৩১ অক্টোবৰত মালয়েছিয়াত চীনৰ প্ৰতিৰক্ষা মন্ত্ৰী এডমিৰেল দং জুনৰ সৈতে হোৱা সাক্ষাৎকালত দক্ষিণ চীন সাগৰ তথা টাইৱানৰ আশে-পাশে চীনৰ বৰ্ধিত সামৰিক কুচকাৱাজ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰে। হেগচেথে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শক্তিৰ সমতা ৰক্ষাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰাৰ লগতে কয়, যে ৱাশ্বিংটনে কাৰো সৈতে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'বলৈ নাযায় যদিও আঞ্চলিক স্থিৰতা সুনিশ্চিত কৰিবলৈ দেশখনে নিজৰ স্বাৰ্থৰ হকে দৃঢ়তাৰে কাম কৰিব।

০০০০০০০০

সমাপ্ত